# REGIONAL NEWS UNIT

ALL INDIA RADIO, GUWAHATI

0000000000

Date : 07-01-2026 **Time :** 1100 Hrs.

0000000000

মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই আজি লখিমপুৰ জিলাত ২৯৮ কোটি টকা ব্যয়সাপেক্ষ কেইবাটাও প্ৰকল্পৰ উদ্বোধন আৰু আধাৰশিলা স্থাপন কৰিব। তেওঁ ঢকুৱাখনা বিধানসভা সমষ্টিত আয়োজিত জনসভাত অংশগ্ৰহণ কৰি মুখ্যমন্ত্ৰীৰ মহিলা উদ্যমিতা আঁচনিৰ অধীনত চেক বিতৰণ কৰিব। দিনৰ ১ বজাত ঘিলামৰা ব্লক ফিল্ডত আয়োজিত এটা অনুষ্ঠানত মুখ্যমন্ত্ৰীয়ে আত্মসহায়ক গোটৰ ৩৬ হাজাৰ ৫০ গৰাকী মহিলাক ১০ হাজাৰকৈ টকাৰ চেক বিতৰণ কৰিব। এই অনুষ্ঠানত মন্ত্ৰী ডাঃ ৰণোজ পেগু, পীযুষ হাজৰিকা, লখিমপুৰৰ সাংসদ প্ৰদান বৰুৱা আৰু ঢকুৱাখনাৰ বিধায়ক নৱ কুমাৰ দলে উপস্থিত থকাৰ কথা। মুখ্যমন্ত্ৰীয়ে বিয়লি ঢকুৱাখনাৰ মাতমৰাত আয়োজিত এটা অনুষ্ঠানত ১৪৮ কোটি টকা ব্যয়েৰে নিৰ্মাণ হ'বলগীয়া জলবায়ু স্থিতিস্থাপক ব্ৰহ্মপুত্ৰ সংহত বান আৰু খহনীয়া প্ৰকল্পৰ আধাৰশিলা স্থাপন কৰিব। বামুণী চাপৰিৰ পৰা টেকেলিফুটালৈ এই প্ৰকল্প নিৰ্মাণ কৰা হ'ব। তেওঁ ২০ কোটি টকা ব্যয়েৰে নিৰ্মাণ হ'বলগীয়া ফাটবিহু ক্ষেত্ৰৰ প্ৰথম পৰ্যায়ৰ উন্নয়ন প্ৰকল্পৰো আধাৰশিলা স্থাপন কৰিব। মুখ্যমন্ত্ৰীয়ে ১৫ কোটি টকা ব্যয়সাপেক্ষ বাসুদেৱ থান নৰোৱা সত্ৰৰ বিকাশৰ প্ৰথম পৰ্যায় আৰু ৯০ কোটি টকা ব্যয়সাপেক্ষে ঢকুৱাখনাৰ মহকুমা অসামৰিক চিকিৎসালয়ক ২০০ খন বিচনাযুক্ত চিকিৎসালয়লৈ উন্নীতকৰণ আৰু আবাসিক গৃহ নিৰ্মাণৰো আধাৰশিলা স্থাপন কৰিব। নিশা ৮ বজাত মুখ্যমন্ত্ৰীয়ে ২৫ কোটি টকা ব্যয়েৰে লখিমপুৰত নিৰ্মিত ৮৯০ খন আসনযুক্ত ড° ভূপেন হাজৰিকা টাউন হল নামৰ অত্যাধুনিক প্ৰেক্ষাগৃহ উদ্বোধন কৰিব।

০০০০০০০

কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যানত চাৰিদিনীয়া কাৰ্যসূচীৰে সপ্তম পক্ষী গণনা অনুষ্ঠিত হৈছে। ৰাষ্ট্ৰীয় উদ্যান তথা ব্যাঘ্ৰ প্ৰকল্প এলেকাৰ পূব অসম বন্যপ্ৰাণী সংমণ্ডল, নগাঁও বন্যপ্ৰাণী সংমণ্ডলৰ লগতে বিশ্বনাথ বন্যপ্ৰাণী সংমণ্ডল আৰু চাপৰি এলেকাত এই পক্ষী গণনা অনুষ্ঠিত হৈছে। ৰাষ্ট্ৰীয় উদ্যানখনৰ সঞ্চালক সোণালী ঘোষে এই বিষয়ে প্ৰকাশ কৰে। ইয়াৰ বাবে ১২৬ খন বিলৰ সমীপত বন বিভাগৰ বিষয়া-কৰ্মচাৰী, স্বেচ্ছাসেৱী সংগঠনৰ সদস্যৰ লগতে প্ৰায় ৭০ গৰাকী পক্ষী বিশেষজ্ঞই গণনাত অংশ লৈছে। বিগত বছৰৰ গণনাত উদ্যানখনত ১২৪ টা প্ৰজাতিৰ মুঠ ১ লাখ ১২ হাজাৰ ৬২ টা পক্ষী থকাৰ তথ্য পোৱা গৈছিল। চলিত বছৰত বান আৰু বৰষুণৰ পৰিমাণ হ্ৰাস পোৱাৰ বাবে কেইবাটাও বিল মেটেকাৰে ভৰি পৰিছে। ইয়াৰ ফলত কেইটামান বিলত পক্ষী গণনা কৰিব পৰা হোৱা নাই। অৱশ্যে পক্ষীবিদসকলে গণনাত কেইবাটাও দুষ্প্ৰাপ্য প্ৰজাতিৰ চৰাইৰ সন্ধান লাভ কৰিছে। ২ ফেব্ৰুৱাৰীত এই গণনাৰ ফলাফল ঘোষণা কৰা হ'ব।

০০০০০০০

জুবিন গাৰ্গৰ মৃত্যুৰ গোচৰৰ বিচাৰ প্ৰক্ৰিয়া ক্ষিপ্ৰ কৰি তোলাৰ বাবে পত্নী গৰিমা শইকীয়া গাৰ্গ আৰু পৰিয়ালৰ সদস্যই আগশাৰীৰ অধিবক্তা লৈ বিশেষ দল গঠন কৰাৰ লগতে বিশেষ আদালতৰ ব্যৱস্থা কৰিবলৈ মুখ্যমন্ত্ৰীক পত্ৰযোগে আবেদন জনাইছে। এই পত্ৰত অভিযুক্তসকলৰ প্ৰতিজনে নিজৰ সুৰক্ষাৰ বাবে দেশৰ

আগশাৰীৰ খ্যাতিসম্পন্ন আৰু অভিজ্ঞ অধিবক্তাক সুকীয়াকৈ নিয়োগ কৰাৰ বিষয়ে উল্লেখ কৰি জুবিন গাৰ্গে ন্যায় পাব পৰাকৈ চৰকাৰী পক্ষতো এটা শক্তিশালী অধিবক্তাৰ দল থকাৰ প্ৰয়োজন বুলি উল্লেখ কৰে। তেওঁলোকে লগতে ন্যায় প্ৰক্ৰিয়া ক্ষিপ্ৰতৰ কৰিবলৈ বিশেষ আদালত গঠনৰ পোষকতা কৰে।

জুবিন গাৰ্গৰ মৃত্যুৰ গোচৰৰ বিচাৰ প্ৰক্ৰিয়া সন্দৰ্ভত পৰহিলৈ অৰ্থাৎ ৯ জানুৱাৰীত হ'বলগীয়া ৰাজ্যিক মন্ত্ৰীসভাৰ বৈঠকত সিদ্ধান্ত গ্ৰহণ কৰা হ'ব বুলি মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই প্ৰকাশ কৰিছে। কালি সাংবাদিকৰ আগত এই বিষয়ে প্ৰকাশ কৰি মুখ্যমন্ত্ৰীয়ে কয়, যে এই বৈঠকৰ পাছতে গোচৰটো বিশেষ আদালতত বিচাৰৰ বাবে দিয়া হ'বনে নহয়, সেই সন্দৰ্ভত সিদ্ধান্ত লোৱা হ'ব।

বাইট

০০০০০০০

নগাঁও জিলাৰ ৰূপহীহাট আৰক্ষীয়ে নগাঁও জিলাৰ ৰূপহীহাট আৰক্ষীয়ে কালি নগাঁও নলতলী ৰাজ্যিক ঘাইপথৰ ঔঅনা অঞ্চলত অভিযান চলাই দুজন ডকাইতক পিষ্টলসহ গ্ৰেপ্তাৰ কৰে। লোক দুজনৰ পৰা এটা চীনত নিৰ্মিত পিষ্টল, এটা মেগজিন গুলী আৰু খুকুৰীসহ চোকা অস্ত্ৰ জব্দ কৰা হয়। এই লোক দুজনে অঞ্চলটোত অপৰাধ সংঘটিত কৰাৰ পৰিকল্পনা কৰিছিল বুলি আৰক্ষীয়ে প্ৰকাশ কৰিছে। লোকদুজনে ডকাইতি কৰাৰ উদ্দেশ্যে যোৱানিশা অঞ্চলটোলৈ আহিছিল বুলিও আৰক্ষীয়ে প্ৰকাশ কৰিছে। ধৃত লোক দুজন মোছাবিবৰ আলী আৰু আব্দুল হাই বুলি আৰক্ষীয়ে চিনাক্ত কৰিছে। ৰূপহীহাট আৰক্ষীয়ে লোক দুজনৰ পৰা তথ্য উদ্ধাৰৰ বাবে অহৰহ জেৰা চলাই আছে।

০০০০০০০

**সমাপ্ত**